# গোলকীয় জৈৱ ইন্ধন মিত্ৰতাৰ (জি.বি.এ.) আৰম্ভণি

ছেপ্টেম্বৰ 09, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ছিংগাপুৰ, বাংলাদেশ, ইটালী, আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰাজিল, আৰ্জেণ্টিনা, মৰিচাছ আৰু ইউ.এ.ই.-ৰ নেতৃবৃন্দৰ সৈতে নতুন দিল্লীত G20 সন্মিলনৰ সময়ত 2023 চনৰ 9 ছেপ্টেম্বৰত গ্লোবেল ইন্ধন এলায়েন্স ৰ শুভাৰম্ভ কৰে।

2. গোলকীয় জৈৱ ইন্ধন মিত্ৰতা (জি.বি.এ.) হৈছে G20 অধ্যক্ষ হিচাপে ভাৰতৰ এক প্ৰচেষ্টা। এই মিত্ৰজোঁটটোৱে প্ৰযুক্তিৰ উন্নতিৰ সুবিধা, বহনক্ষম জৈৱ ইন্ধনৰ ব্যৱহাৰ তীব্ৰ কৰা, বিভিন্ন অংশীদাৰৰ অংশগ্ৰহণৰ জৰিয়তে শক্তিশালী মানদণ্ড নিৰ্ধাৰণ আৰু প্ৰমাণপত্ৰ প্ৰস্তুত কৰাৰ জৰিয়তে জৈৱ ইন্ধনৰ বিশ্বব্যাপী গ্ৰহণ ত্বৰান্বিত কৰিব বিচাৰে। মিত্ৰজোঁটটোৱে জ্ঞানৰ কেন্দ্ৰীয় ভঁৰাল আৰু বিশেষজ্ঞ কেন্দ্ৰ হিচাপেও কাম কৰিব। জি.বি.এ.-ৰ লক্ষ্য হৈছে এক অনুঘটক মঞ্চ হিচাপে কাম কৰা, জৈৱ ইন্ধনৰ উন্নতি আৰু ব্যাপক গ্ৰহণৰ বাবে বিশ্বব্যাপী সহযোগিতা বৃদ্ধি কৰা।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 09, 2023**